**REGIONAL News Unit**

All India Radio, Guwahati

0000000000

**Date : 30**-07-2024

**Time :** 1800Hrs.

***Assamese REGIONAL EVENING Bulletin***

**:::::::::::::::::::::::::::::::::::**

লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি অসমৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ বিজয় বিষ্ণয়ে নৱনিযুক্ত ৰাজ্যপালগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছিকিমৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইফালে, গুৱাহাটীস্থিত বাজপেয়ী ভৱনত অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক চত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ বাবে সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ নেতা-কৰ্মীসকলে শ্ৰী ডেকাক সম্বৰ্ধনা জনায়।

oooooooo

ৰাজ্যৰ ভূতপূৰ্ব ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি অসমৰ পৰা আনুষ্ঠানিকভাৱে বিদায় লয়। বৰঝাৰত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত কাটাৰীয়াক গাৰ্ড অৱ অ'নাৰেৰে বিদায় জনোৱা হয়। পঞ্জাবৰ ৰাজ্যপাল হিচাপে নিযুক্তি পোৱা কাটাৰীয়াই অসম এৰাৰ পূৰ্বে অসমৰ জনসাধাৰণে তেওঁক যথেষ্ট মৰম দিয়া বুলি প্ৰকাশ কৰে। লগতে তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমত শান্তি-শৃংখলা অটুট আছে। আনহাতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পুৱাৰ ভাগতে ৰাজভৱনলৈ গৈ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়া আৰু তেওঁৰ পত্নীক একোখনকৈ গামোচাৰে বিদায় জনায়। মুখ্যমন্ত্ৰীক কেবিনেট সতীৰ্থ অশোক সিংঘালে সংগ দিয়ে। বিদায়ী ৰাজ্যপালগৰাকীয়ে তেওঁৰ কাৰ্যকালত ৰাজ্যখনৰ বাবে আগবঢ়োৱা সেৱাৰ বাবে অসমৰ জনসাধাৰণৰ হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা জনোৱাৰ লগতে নতুন দায়িত্বৰ বাবে শুভেচ্ছা জনায়।

oooooooo

মৰিগাঁও জিলাই মুখ্যমন্ত্ৰী ডেছ্ বৰ্ডত ষষ্ঠ স্থানলৈ উন্নীত হোৱাৰ লগতে ৰাজ্যৰ ভিতৰতে অন্যতম সফল জিলা হিচাপে পৰিগণিত হৈছে। জিলাসমূহৰ প্ৰদৰ্শন আৰু পাৰদৰ্শিতাৰ ভিত্তিত মুখ্যমন্ত্ৰী ডেছ্ বৰ্ডত থকা ১৬টা বিভিন্ন বিভাগৰ কাম-কাজ আৰু সেৱা মূল্যায়নৰ ভিত্তিত জিলাখনে এই স্থান লাভ কৰিছে। গুৱাহাটী

অনুষ্ঠিত হোৱা আয়ুক্তসকলৰ সন্মিলনত এই কথা প্ৰকাশ কৰা হৈছে। পূৰ্বৰ ২৩ সংখ্যক স্থানৰ পৰা শীৰ্ষ ১০খন জিলা তালিকাত অন্তৰ্ভুক্ত হোৱাত স্বাভাৱিকতে মৰিগাঁও জিলাবাসী উৎফুল্লিত হৈ পৰিছে। জিলাসমূহৰ প্ৰদৰ্শন আৰু পাৰদৰ্শিতা নিৰূপণ কৰাৰ লগতে পৰস্পৰৰ মাজত সুস্থ প্ৰতিযোগিতাৰ পৰিবেশ গঢ় দিয়া আৰু ৰাইজৰ বাবে আগবঢ়োৱা সেৱাৰ মান উন্নত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডেছ বৰ্ডত ১৬টা বিভিন্ন বিভাগৰ সেৱা আৰু কাম-কাজৰ মূল্যায়ন কৰা হয়। এই ১৬টা বিভাগৰ ভিতৰত আছে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, বিদ্যালয় শিক্ষা, কৃষি, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পৰিবহণ, তথ্য প্ৰযুক্তি, আবকাৰী, বিত্ত, মীন, ভূমি সংৰক্ষণ, চিকিৎসা শিক্ষা আৰু গৱেষণা তথা মহিলা আৰু শিশু বিকাশ বিভাগ। ৪০টা বিভিন্ন পৰিমাপকৰ কাম-কাজৰ মূল্যায়নৰ ভিত্তিত ডেছ বৰ্ডৰ জিলাসমূহৰ স্থান নিৰূপণ কৰা হৈছে।

০০০০০০০০

দুদিন ধৰি হোৱা নেৰানেপেৰা বষুণৰ ফলত গোলাঘাট জিলাৰ অসম-নাগালেণ্ডৰ মেৰাপানী সীমান্তত বানপানীৰ সৃষ্টি হৈছে। নাগালেণ্ডৰ পৰা নামি অহা পানীয়ে মেৰাপানীৰ চাংখাতি অঞ্চলৰ কেইখনো গাঁও প্লাবিত কৰিছে। চাংখাতি, কল্যাণপুৰ, শান্তিপুৰ, গ্লানপুৰ, দয়ালপুৰকে ধৰি কেইবাখনো গাঁও বানত ডুব গৈছে। শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ পানীত ডুব যোৱাৰ লগতে শ শ বিঘা কৃষি ভূমিৰো বিস্তৰ ক্ষতিসাধন হৈছে। বাঢ়নি পানীৰ ফলত চাংখাতি নৈৰ মথাউৰি ভগাৰ ফলত ৰতনপুৰ সংযোগী পথেৰে যাতায়াত ব্যাহত হৈছে।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত  স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

দূৰদৰ্শন কেন্দ্ৰ ডিব্ৰুগড়ৰ অনুষ্ঠান কাৰ্যবাহী চৱন দত্তৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰ ডিব্ৰুগড়ে ব্যক্তিগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০

ঃসমাপ্তঃ